بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**যুদ্ধ বদৰুল মোৱায়েদ আৰু যুদ্ধ দোমাতুল জন্দালৰ পৰিস্থিতি আৰু ঘটনাৱলী সম্পৰ্কে বৰ্ণনাৰ লগতে বিশ্বত শান্তি স্থাপনাৰ্থে দোৱাৰ তেহেৰিক আৰু মুছলমান সকলৰ কল্যাণাৰ্থে একতাবাদ হোৱাৰ শিক্ষা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৫ জুলাই ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আজি দুখন যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰা হ'ব। ইয়াৰে প্ৰথম যুদ্ধ হ'ল বদৰুল মোৱায়েদ। বদৰুল মোৱায়েদ যুদ্ধ চাৰি হিজৰীত সংঘটিত হৈছিল। এই যুদ্ধক বদৰুচ্ছানিয়া আৰু বদৰুছ ছুগিৰা বুলিও জনা যায়। চাৰি হিজৰীৰ শ্বাবান মাহত আঁহজৰত (ছাঃ)য়ে বদৰৰ ফালে যাত্ৰা কৰিছিল। কিছুমান ইতিহাসবিদ মাহৰ হিচাপত বিভিন্ন মত আগবঢ়াইছে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে চাৰি হিজৰীৰ শ্বোৱাল মাহৰ শেষ ভাগত আঁহজৰত (ছাঃ)য়ে পোন্ধৰ শ চাহাবাৰ এটা জামাত লৈ মদিনাৰ পৰা যাত্ৰা কৰে। এই যুদ্ধৰ কাৰণ আছিল এয়া যে আবু ছুফিয়ান বিন হৰাবে যেতিয়া উহুদৰ যুদ্ধৰ পৰা ওভতি গৈ আছিল তেতিয়া তেওঁ কৈছিল যে অহা বছৰ আমাৰ আৰু তোমালোকৰ মাজত মোকাবিলা বদৰুল ছুগিৰাত হ'ব। তাতে আমি আকৌ যুদ্ধ কৰিম। এই কথা বিলাকৰ প্ৰত্যুত্তৰ দিবলৈ আঁহজৰত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক কৈছিল যে তুমি কোৱা, ইনশা আল্লাহ। আন এটা ৰিৱায়ত অনুযায়ী আঁহজৰত (ছাঃ)য়ে নিজেই কৈছিল ইনশা আল্লাহ সেয়াই হ'ব।

বদৰ, মক্কা আৰু মদিনাৰ মাজত অৱস্থিত এটা বিখ্যাত কুৱাৰ নাম হয়। এই ঠাইখন মদিনাৰ পৰা উত্তৰ পশ্চিম ফালে প্ৰায় এশ পঞ্চাচ কি:মি: দূৰত অৱস্থিত। জাহিলিয়তৰ যুগত এই ঠাইখনত প্ৰথম জিলকদাহৰ পৰা আঠ দিন লৈকে ডাঙৰ মেলা অনুষ্ঠিত কৰা হৈছিল। আবু ছুফিয়ানে কোৱাৰ সময়ত দৰ্পভৰে যুদ্ধ ঘোষণা কৰি থৈ গৈছিল, কিন্তু যেতিয়া লাহে লাহে সময় ওচৰ চাপি আহিবলৈ ধৰিছিল তেতিয়া আবু ছুফিয়ানে যুদ্ধৰ পৰা আঁতৰি থকাৰ চেষ্টা চলাইছিল। কিন্তু প্ৰকাশ্য দেখুৱাইছিল যে তেওঁ মদিনা আক্ৰমণ

কৰিবলৈ এটা ডাঙৰ সেনা বাহিনী সাজু কৰি তুলিছে। এই কথাখিনি মুছলমানক জনাবলৈ আবু ছুফিয়ানে নঈম নামৰ এজন লোকক বিছটামান উট দিয়াৰ লোভ দেখুৱাই মদিনালৈ পঠিয়াই দিছিল। তেওঁ গৈ মুছলমান সকলক আবু ছুফিয়ানৰ এই যুদ্ধ প্ৰস্তুতি সম্পৰ্কে বঢ়াই কয় আৰু ভয় দেখুৱাই যুদ্ধৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিয়ে। কিন্তু মুখলিচ মুছলমান সকলে লোকজনৰ কথাত পতিয়ন নেযায় আৰু ৰছুলুল্লাহ (ছাঃ)ক যুদ্ধ যাত্ৰা কৰিবলৈ তেওঁলোকৰ একাগ্ৰতা আৰু আগ্ৰহ দেখুৱায়।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে উহুদৰ যুদ্ধত জয়লাভ কৰা আৰু ইমান ডাঙৰ বাহিনী থকা সত্ত্বেও আবু ছুফিয়ান বিন হৰাবে মনে মনে ভয়াতুৰ হৈ পৰে আৰু ইছলামৰ বিনাশ কামনা কৰা সত্ত্বেও সি বিচাৰিছিল যে যেতিয়ালৈকে অসংখ্য সৈন্য সজ্জিত বাহিনী এটা তেওঁ গোটাব নোৱাৰে তেতিয়ালৈকে তেওঁ মুছলমান সকলৰ মুখামুখী নহয়। হুজুৰ (ছাঃ)য়ে যেতিয়া আবু ছুফিয়ানৰ সৈন্য বাহিনী প্ৰস্তুত কৰাৰ খবৰ পায় তেতিয়া তেখেত (ছাঃ)য়ে নিজৰ সহায়ক হিচাপে হজৰত আব্দুল্লাহ বিন ছলোল, যিজন বৰ পক্কা মুছলমান আছিল, মদিনাৰ আমিৰ নিযুক্ত কৰে। আন এটা ৰিৱায়ত অনুযায়ী আঁহজৰত (ছাঃ)য়ে সেই সময় ছোৱাৰ বাবে হজৰত আব্দুল্লাহ বিন ৰওয়াহাক আমিৰ নিযুক্ত কৰিছিল। আঁহজৰত (ছাঃ)য়ে নিজৰ পতাকা হজৰত আলি (ৰাঃ)ৰ হাতত অৰ্পন কৰিছিল। মুছলমান সকলে নিজৰ ব্যৱসায়ৰ বয়-বস্তু লগত লৈ বদৰলৈ যাত্ৰা কৰে। আচলতে মুছলমান সকলে আবু ছুফিয়ানৰ বিৰুদ্ধে যুদ্ধ দিবলৈ ওলাইছিল যদিও সিহঁতৰ ব্যৱসায়ী মাল বস্তুৱে বুজায় যে মুছলমান সকলৰ বিশ্বাস আছিল যে খোদা তা'লাৰ কৃপাত আবু ছুফিয়ান যুদ্ধলৈ নাহিব আৰু যদি আহিও যায় আল্লাহ তা'লা মুছলমান সকলক বিজয় দান কৰিব। তাৰ পিছত মুছলমান সকলে তাৰিখ মতে অনুষ্ঠিত হোৱা মেলাত নিজৰ বয়-বস্তু বিক্ৰি কৰি লাভ আহৰণ কৰিব পাৰিব। পিছত সংঘটিত হোৱা পৰিস্থিতিৰ পৰা বুজা যায় যে তেনেকুৱাই ঘটিছিল।

মুছলমান সকলে বচন দিয়া মতেই যুদ্ধৰ বাবে নিৰ্দিষ্ট ময়দানত গৈ উপস্থিত হৈছিল কিন্তু আনফালে আবু ছুফিয়ানে কুৰাইছ চৰদাৰ সকলক কৈছিল যে মই নঈমক এই কামৰ বাবে পঠিয়াইছিলো যে তেওঁ যেন মুছলমান সকলে যাত্ৰা কৰাৰ আগতেই আমাক খবৰ দিব পাৰে। তেওঁ হয়তো সেয়াই চেষ্টা কৰি আছে। আমি ইফালে এক অথবা দুই ৰাতিৰ বাবে ওলাম তাৰ পিছত ওভতি আহিম। যদি মুছলমান সকলে যুদ্ধৰ বাবে নাহে তেন্তে আমি ক'ব পাৰিম যে মুছলমান সকলে যুদ্ধৰ বাবে অহা নাই আৰু এনেদৰে আমি বিজয়ী সাব্যস্ত হ'ম আৰু যদি মুছলমান সকলে যুদ্ধ কৰিবলৈ আহি যায় তথাপিও আমি ওভতি আহিম আৰু সিহঁতক কৈ পঠাম যে এই বছৰ আমাৰ বাবে খৰাং বতৰৰ বছৰ, গতিকে যুদ্ধৰ বাবে বাৰিষা বতৰহে আমাৰ বাবে উপযুক্ত হ'ব।

কুৰাইছ সকলে আবু ছুফিয়ানৰ এই বুদ্ধি পৰিকল্পনা পছন্দ কৰে আৰু দুহেজাৰ সৈন্যৰ এটা বাহিনী মক্কাৰ পৰা বদৰলৈ যাত্ৰা কৰে। মক্কাৰ পৰা বাইছ কি:মি: পথ অতিক্ৰম কৰাৰ পিছতেই আবু ছুফিয়ানে আৰু কাফিৰ বাহিনীৰ মন দুৰ্বল হৈ পৰে আৰু মুছলমানৰ সৈতে যুদ্ধ কৰাৰ সাহস হেৰাই পেলায়। গতিকে আবু ছুফিয়ানে সৈন্য বাহিনীক ওভতি বাট ধৰিবলৈ ঘোষণা দিয়ে আৰু কয় যে তোমালোকৰ বাবে বাৰিষাৰ বছৰত যুদ্ধ কৰাটো বেছি ভাল হ'ব। এতিয়া খৰাং বতৰ, গতিকে সকলোৱে ওভতি যোৱা মইয়ো ওভতি গৈ আছো। আবু ছুফিয়ানৰ এই সিদ্ধান্তত সকলো সৈন্যই মক্কালৈ ওভতি বাট ধৰে আৰু কোনেও এই সিদ্ধান্তৰ বিৰোধীতা কৰা নাছিল, যাৰ ফলত অনুমান কৰিব পৰা যায় যে কাফিৰ সকলে মুছলমানৰ মোকাবিলা

কৰিবলৈ কিমান ভয় পাইছিল।

আঁহজৰত (ছাঃ)য়ে তাতে আঠ ৰাতি বাহৰ পাতি থাকি ওভতি মদিনালৈ আহিছিল। এনেদৰে হিচাপ কৰিলে যোল্ল ৰাতিৰ মূৰত আহি মদিনা পাইছিল। ইমানতও শত্ৰু সকলে মুছলমান সকলৰ মোকাবিলা কৰিবলৈ সাহস গোটাব পৰা নাছিল। গতিকে শত্ৰু পক্ষৰ ভয় বাঢ়ি যায় আৰু মুছলমান সকলৰ সাহস দুগুনে বৃদ্ধি পায়। সেই অঞ্চলৰ স্থানীয় বাসিন্দা সকলৰ সমৰ্থন কুৰাইছে মক্কাৰ ফালে আছিল। কিন্তু আঁহজৰত (ছাঃ)য়ে বৰ বীৰত্বৰ সৈতে সিহঁতৰ ওপৰত নিজৰ প্ৰতাপ জাহিৰ কৰে; যাৰ ফলত তেওঁলোকে দমন হৈ থাকে। বদৰৰ কিছুমান ব্যৱসায়ী যেতিয়া মক্কালৈ ওভতি গৈছিল তেতিয়া তেওঁলোকে আবু ছুফিয়ানক মুছলমান সকলৰ বীৰত্ব আৰু সাহস সম্পৰ্কে বৰ্ণনা কৰি শুনায়, যাৰ ফলত আবু ছুফিয়ানে আৰু কুৰাইছে মক্কা নিজৰ কাপুৰুষালি আৰু প্ৰতিশ্ৰুতি ভঙ্গৰ বাবে বৰ লাজ পায়।

আন এটা যুদ্ধ হ'ল দোমাতুল জন্দালৰ যুদ্ধ। এই যুদ্ধ পাঁচ হিজৰীৰ ২৫ ৰবিউল আউৱালত সংঘটিত হৈছিল। এই ঠাইখন মদিনাৰ পৰা সোতৰ দিনত অতিক্ৰম কৰা হৈছিল। এই ঠাইখনত বৰ ডাঙৰ ব্যৱসায়ৰ বজাৰ লগা কৰিছিল। এই অভিযান আছিল প্ৰথম ৰুমি শাসনাধীষ্ঠ ছিৰিয়াৰ সীমান্তৱৰ্তী অঞ্চলত হোৱা অভিযান। ইয়াৰ প্ৰাককালীন অৱস্থা আছিল এয়া যে মুছলমান সকলৰ হাতত বাৰে বাৰে পৰাস্ত হৈ আৰু মুছলমান সকলৰ বাঢ়ি যোৱা সাহসক উপলব্দ কৰি ইছলামৰ শত্ৰু সকলে এনেকুৱা সুযোগ বিচাৰি আছিল যে যাতে মুছলমান আৰু ইছলামৰ মূল শিপা ওভালি পেলাব পৰা যায়। এই পৰিকল্পনা বাস্তবায়ন কৰিবলৈ মদিনাৰ দক্ষিণ প্ৰান্ত ছিৰিয়াৰ সীমান্তত অৱস্থিত দোমাতুল জন্দালৰ ওচৰত থকা কবিলা বিলাকে ইছলামী শাসনক দমন কৰিবলৈ এটা ডাঙৰ সেনা বাহিনী সাজু কৰিবলৈ আৰম্ভ কৰে।

এই কবিলাৰ লোক সকলে নানা ধৰণে বিবাদৰ সৃষ্টি কৰি বাটেৰে অহা যোৱা কৰা ব্যৱসায়ী সকলক লুট কৰি লৈছিল। যেতিয়া হুজুৰ (ছাঃ)য়ে এই পৰিস্থিতি সম্পৰ্কে অৱগত হয়, তেতিয়া সিদ্ধান্ত লয় যে এওঁলোকক এটা শিক্ষা দিয়া যাওঁক। ইয়াৰ লগতে আঁহজৰত (ছাঃ)য়ে খবৰ পাইছিল যে সেই লোক সকলে ফৌজ লৈ আহি মদিনা আক্ৰমণ কৰিব। সেয়ে তেখেত (ছাঃ)য়ে সিদ্ধান্ত লয় যে আগতেই সিহঁতৰ ওপৰত আক্ৰমণ চলাই সিহঁতক থানবান কৰি দিয়া যাওঁক। যাতে সিহঁতে মদিনা আক্ৰমণৰ পৰা দূৰত থাকে আৰু বনিক সকলে নিৰাপদে ছিৰিয়ালৈ যাব পাৰে। নবী কৰিম (ছাঃ)য়ে নিজৰ চাহাবা সকলৰ এটা জামাত লগত লৈ দোমাতুল জান্দালৰ ফালে যাত্ৰা কৰে। তেখেত (ছাঃ)য়ে ৰাতিৰ বেলিকা খোজ দি বাট অতিক্ৰম কৰিছিল আৰু দিনত কোনো এখন ঠাইত গোপনে জিৰণি লৈছিল।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে তেখেত (ছাঃ)য়ে পোন্ধৰ যোল্ল দিনৰ বাট অতিক্ৰম কৰি দোমাতুল জন্দাল গৈ পায়। তাতে গৈ জানিব পাৰে যে তাৰে লোক সকলে মুছলমান সকলে অহাৰ খবৰ পাই ইফালে-সিফালে গুচি গৈছে। আঁহজৰত (ছাঃ)য়ে তাতে কিছু দিন অৱস্থান কৰি সিহঁতক বিচাৰি ভাগে ভাগে চাহাবা সকলক পঠাই দিয়ে। কিন্তু সিহঁতক কোনো দলেই বিচাৰি পোৱা নাছিল।

দোমাতুল জন্দালৰ পৰা ওভতি অহা সম্পৰ্কে লিখিছে যে আঁহজৰত (ছাঃ)য়ে তাত তিনি দিন থকাৰ পিছত সকলো সৈন্য বাহিনী লৈ ৰবিউচ্ছানিৰ ২০ তাৰিখত আহি মদিনাত উপস্থিত হয়। এই অভিযানৰ ফলাফল মুছলমানৰ পক্ষে বৰ সুবিধা জনক হৈছিল। এই অভিযানৰ জৰিয়তে মুছলমান সকলে সেই প্ৰান্তৰ

সকলো অঞ্চল সম্পর্কে অভিজ্ঞতা লাভ কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে দোৱাৰ ফালে মই সকলোৰে মনোযোগ আকৰ্ষণ কৰিছোঁ, আপোনালোকে দোৱা কৰি থাকিব যাতে আল্লাহ তা'লা বিশ্বত এক শান্তি বিৰাজমানম ৰাখে। সেই শান্তি নিৰাপত্তা যাৰ বাবে আঁহজৰত (ছাঃ)য়ে নিজৰ সেই যুগত স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। আৰু এয়াই তেখেত (ছাঃ)ৰ আবিৰ্ভাৱৰ উদ্দেশ্য আছিল আৰু এয়াই ইছলামৰ প্ৰধান উদ্দেশ্য হয়। এই সকলোবোৰ কাম আল্লাহ তা'লাৰ কৃপাতহে বাস্তবায়িত হ'ব পাৰে। সেয়ে দোৱা কৰাৰ বিশেষ প্ৰয়োজন আছে।

দেখা গৈ আছে বিশ্ববাসীয়ে যেনিবা নিজৰ ভৰিত নিজেই কুঠাৰ মাৰিবলৈ ওলাইছে। সাধাৰণতে শান্তি নিৰাপত্তাৰ কোনো উম-গাম নাই। আনফালে পশ্চিমীয়া দেশবোৰত এতিয়া মুছলমান সকলৰ বিৰুদ্ধে যুদ্ধ পৰিস্থিতি ঘনাই আহিছে ভৱিষ্যতলৈ পৰিস্থিতি আৰু বেয়াৰ ফালে আগুৱাই যাব। সেয়ে মুছলমান সকলে নিজৰ কল্যাণৰ বাট বিচাৰিব লাগিব। ঐক্যবদ্ধ হ'ব লাগিব আৰু নিজৰ পৰিস্থিতি উন্নত কৰিব লাগিব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْ كُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 5 JULY 2024**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844

অনুবাদক : শ্বাহজাহান আলি চাহাব মুৱাল্লিম ছিলছিলা